জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৪৬/২০২০

**সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি প্ৰদীপ দেৱানৰ স্বাস্থ্যৰ বুজ ল'লে মুখ্যমন্ত্ৰী সোণোৱালে**

# তিনিচুকীয়া জিলাৰ উপায়ুক্তক দেৱানৰ চিকিৎসাৰ বাবে যথোপযুক্ত ব্যৱস্থা লোৱাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৭ আগষ্ট ঃ** বৰ্তমানে অসুস্থ হৈ থকা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি প্ৰদীপ দেৱানৰ আশু আৰোগ্য কামনা কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। আজি মুখ্যমন্ত্ৰী সোণোৱালে আছুৰ প্ৰাক্তন এই গৰাকী নেতাৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি তেখেতৰ স্বাস্থ্যৰ বুজ লোৱাৰ উপৰি আশু আৰোগ্য কামনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে প্ৰাক্তন এইগৰাকী নেতাৰ সুচিকিৎসাৰ বাবে যথোপযুক্ত তথা ফলপ্ৰসূ পদক্ষেপ ল'বলৈ তিনিচুকীয়া জিলাৰ উপায়ুক্তক ইতিমধ্যে নিৰ্দেশ দিছে।

**বঃভাঃ / পুঃডেঃ**
**১৭/০৮/২০২০**